# চলন্তাপাৰাৰ মহাত্মা গান্ধী মহাবিদ্যালয়ত প্ৰতিষ্ঠা দিৱস

**প্ৰতিদিন সেৱা, যোগীঘোপা, ১০ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ একমাত্ৰ চহৰী উচ্চ শিক্ষানুষ্ঠান চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ত আজি ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। কাৰ্যসূচী মতে পুৱা ১০ বজাত মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ শেখ মফিজুদ্দিন আলী আহমেদে পতাকা উত্তোলন কৰাৰ পিছতে শ্বহীদ তৰ্পণ কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ৰামচন্দ্ৰ পাঠকে। মহাবিদ্যালয়খনৰ গৌৰৱোজ্জ্বল ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দুপৰীয়া ১২ বজাত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভা সঞ্চালনা কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ৰামচন্দ্ৰ পাঠকে। সভাত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত বিশেষ অৰিহণা যোগোৱা ৰাজ্য চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত চন্দ্ৰ কুমাৰ সৰকাৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত চলন্তাপাৰাৰ বিশিষ্ট সমাজকৰ্মী মনোৰ মেধিয়ে। মুকলি সভাত চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আলহাজ আবুল হুছেইন, অধিবক্তা শ্বাহ আলম, মনোৰ মেধি, যোগীঘোপা গোবিন্দ সৌৰৱনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আবু হানিফ হাসানী, বাতীৰ গান্ধী সৌৰৱনী মহাবিদ্যালয়ৰ অধ্যক্ষ জেহিৰুল ইছলামৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। সন্ধিয়া ৬ বজাত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন কৰি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ সামৰণি মাৰে।